# নিয়ৰ

**চন্দ্ৰকুমাৰ আগৰৱালা**

**প্ৰশ্ন ১। কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়া আৰু আবৃত্তি কৰা।**

উত্তৰঃ ( কবিতাটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব আৰু আবৃত্তি কৰিব লাগিলে অতি মনোযাোগেৰে শব্দবাোৰ চাই শুদ্ধ উচ্চাৰণেৰে শব্দ কৰি পঢ়িবলৈ চেষ্টা কৰিবা । )

**প্ৰশ্ন ২। উত্তৰ দিয়া –**

**( ক ) মুকুতা মণিটি বুলি কবিয়ে কাক কৈছে ?**

উত্তৰঃ মুকুতা মণিটি বুলি কবিয়ে ফুলৰ পাহিত জিলিকি থকা ফটিক পানীৰে ধাোৱা নিয়ৰ কণিকাক কৈছে ।

**( খ ) নিয়ৰক কবিয়ে কাৰ লগত তুলনা কৰিছে ?**

উত্তৰঃ নিয়ৰক কবিয়ে নিশা নচা নাচনীৰ ছিগি ৰৈ যাোৱা মুকুতা মণিৰ লগত তুলনা কৰিছে ।

**( গ ) নিয়ৰে হিয়াত কি সাঁচি থাোৱাৰ কথা কৈছে ?**

উত্তৰঃ নিয়ৰে হিয়াত নিজম নিশাৰ নিচুপ কথা হিয়াত সাঁচি হাোৱাৰ কথা কৈছে ।

**( ঘ ) ফুলনিত , কি ছিগি ৰৈ গল ?**

উত্তৰঃ ফুলনিত নিশা নচা কোনাোবা নাচনীৰ মন ছিগি ৰৈ গ’ল বুলি কৈছে ।

**( ঙ ) কবিয়ে কি সৰি থকাৰ কথা কৈছে ?**

উত্তৰঃ কবিয়ে সৰগত টোপনি যাোৱা নিশাৰ তৰা এটি নিয়ৰ হৈ সৰি থকা বুলি কৈছে ।

**প্ৰশ্ন ৩। কবিতাটোৰ মূলভাব চমুকৈ লিখা ।**

উত্তৰঃ ফটিক পানীৰে ধাোৰা নিয়ৰ কনাবাোৰ ৰাতিপুৱা ফুলৰ পাহি , গছ বনৰ পাছ্ত ওলমি থকা দেখিলে এনেহেন লাগে যেন নিশাৰ আকাশৰ পৰা তৰাবোৰহে তাত সৰি পৰি আছে । কবিৰ কল্পনাত নিয়ৰ হৈছে ফুলনিত নিশা কোনাোবা হাঁহি হাঁহি নাচি থক নাচনীৰ ডিঙিৰ পৰা ছিগি পৰা একোটি মণি অথবা সেমেকি উঠা একোটোপাল চকুপানী ।

সেই চকুপানী অথবা মুকুতা মণি নিয়ৰ হৈ ফুলপাহিত পুৱাৰ হেঙুলি পাোহৰত জিলিকি উঠিছে । কিন্তু দুখৰ কথা কবিয়ে সেই মুকুতা মণিস্বৰূপ নিয়ৰবাোৰলৈৰ লাগি চাই থাকোঁতেই এজাক বতাহে আহি ফুলৰ পাহিবাোৰ জোকাৰি পেলাই নাইকিয়া কৰিলে ।

**প্ৰশ্ন ৪। শব্দ সম্ভাৰ আৰু অৰ্থ ।**

উত্তৰঃ  ফটিক   –   অতি পৰিষ্কাৰ বগা চকচকীয়া এবিধ পাথৰ ।

শাোভে   –   জেউতি চৰায় ।

হেঙুলি   –   ৰঙচুৱা , ৰঙা – হালধীয়া- বৰণৰ ।

নিজম   –   নিস্তব্ধতা , নিটাল , সাৰি – শব্দ নাোহাোৱা ।

নিচুক   –   কন্দন এৰা ।

বিষম   –   সমান নাোহাোৱা , বেয়া ,

দুষ্ট , অসৎ ।

**প্ৰশ্ন ৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা—**

***নিজম আকাশৰ নিচুক কথাটি***

***হিয়াত থৈছেসাঁচি ,***

***কোন কাহানিৰ সপাোন দেখিছে***

***কোনে হাঁহিছিল নাচি ।***

উত্তৰঃ উদ্ধৃত কবিতাফাকি ' প্ৰতিমাৰ খনিকৰ ' চন্দ্ৰ কুমাৰ আগৰৱালা ৰচিত ' নিয়ৰ' কবিতাটিৰ অন্তৰ্গত ।

ৰাতিপুৱা মুকুতা সদৃশ নিয়ৰ কথাবোৰ ফুলৰ পাহিত ওলমি থকা দেখি কবিৰ মনত জাগি উঠা মনোৰম কল্পনা এই কবিতা ফাকিৰ জৰিয়তে প্ৰকাশ পাইছে ।

ফটিক পানীত ধোৱা মুকুতা সদৃশ নিয়ৰ কণাবোৰক কবিয়ে নিশাৰ আকাশত সৰি পৰা তৰা আৰু পুৱাৰ হেঙুলি বেলিৰ পোহৰত সেমেকি পৰা চকু পানীৰ লগত তুলনা কৰিছে ।

আনহাতে নিজম আকাশৰ হিয়াত সাঁচি হোৱা কান্দোন ভাবৰ কথাৰে হাঁহি হাঁহি নাচি থকা কোনোবা নাচনীৰ ডিঙিৰ পৰা ছিগি পৰা মনিৰ লগত কবিয়ে নিয়ৰ কণাক তুলনা কৰিছে । কোনোবাই কাহানিবাই দেখা সপোনৰ ই যেন অভিব্যক্তি ।

**প্ৰশ্ন ৬। পাঠৰ পৰা অন্ত্য মিল থকা শব্দবোৰ লিখা ।**

উত্তৰঃ

ধোৱা – যোৱা ,

সাঁচি – নাচি ,

মণি – কণি , পানী ,

ভাহি – পাহি ।

**প্ৰশ্ন ৭। উল্লিখিত শব্দবোৰৰ সমাৰ্থক শব্দ লিখা ।**

**টোপনি , বেলি , পানী , ফুল , নিশা , সপোন , আকাশ , চকু ।**

উত্তৰঃ

টোপনি — নিদ্ৰা , ঘুমতি ।

বেলি — ৰবি , তপন , সূৰ্য ।

পানী — জল , নীৰ সলীল ।

ফুল — কুসুম ।

নিশা — ৰাতি , নিশি ।

সপা েন — কল্পনা ।

আকাশ — মহাশূন্য

চকু — নয়ন , আখি ।

**প্ৰশ্ন ৮। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা ।**

**ছিগা , সৰগ , পুৱা , দিন , নিজম , হাঁহি ।**

উত্তৰঃ

ছিগা — নিছিগা ।

হৰগ — নৰগ

পুৱা — সন্ধিয়া ।

নিজম — হুলস্থূলীয়া ।

হাঁহি — কান্দোন ।

**প্ৰশ্ন ৯। বাক্য ৰচনা কৰা ।**

**মুকুতা , পাহি , শা েভে , নিচুক , ফুলজুপি , ফটিক ।**

উত্তৰঃ মুকুতা — ৰাতিপুৱা নিয়ৰ কণাবা েৰ মুকুতা মণি যেন দেখি ।

**পাহি** — ফুলকলিৰ পাহিবা েৰ মেলখালে বৰ ধুনীয়া দেখি ।

**শােভে** — ৰাতিপুৱা নিয়ৰ কণাই ফুলজুপিৰ শােভা বঢ়ায় ।

**নিচুক** — নিজম আকাশৰ নিচুক কথাটি কোনােবা নাচনীয়ে সাঁচি থৈছে বুলি কবিয়ে কল্পনা কৰিছে ।

**ফুলজুপি** — ৰাতিপুৱাৰ নিয়ৰে ফুলজুপি ধুনীয়া কৰিছে ।

**ফটিক** — নিয়ৰ কণাবােৰ ফটিক পানীৰে ধােৱা মুকুতা মণিৰ দৰে সুন্দৰ ।

**প্ৰশ্ন ১০। ( ক ) নিয়ৰ’কবিতাটিত থকা তত্সম আৰু তদ্ভৱ শব্দবােৰ বাছি উলিয়াই লিখা ।**

উত্তৰঃ **তত্সম শব্দ :-** আকাশ,বায়ু

**তদ্ভৱ শব্দ :-** মুকুতা , ফটিক , নিশা , সৰগ , সপােন , নাচ , শােভা বায়ু পাহি ।

*( খ) তুমি জনা তৎসম আৰু তদ্ভৱ শব্দবােৰৰ এখন তালিকা প্ৰস্তুত কৰা ।*

উত্তৰঃ **তৎসম শব্দ :-** আকাশ , বংশ , বৰ্ণ , দীৰ্ঘ , জীৱন , চন্দ্ৰ , সূৰ্য , নদী , কৃষ্টি , লতা , ধন , ফল ইত্যাদি ।

**তদ্ভৱ শব্দ :-** হাত , কাণ , হাতী , আজি , ওঁঠ , সাপ , গাঁত , দাঁত , কাম ইত্যাদি ।

**প্ৰশ্ন ১১। দৈনিক জীৱনত বিভিন্ন ক্ষেত্ৰত তুমি ব্যৱহাৰ কৰা ইংৰাজী শব্দবােৰ ভাগে ভাগে লিখা ।**

উত্তৰঃ **শিক্ষা সম্বন্ধীয় :-** স্কেল , পেঞ্চিল , পেন , ব্ৰেকবাের্ড , চকপেঞ্চিল , ৰবৰ , হেণ্ডেল ইত্যাদি ।

**খেল সম্বন্ধীয় :-** ক্ৰিকেট , ফুটবল , ভলীবল , বাস্কেট বল , টেনিচ , বেডমিণ্টন ইত্যাদি ।

**যানবাহন সম্বন্ধীয় :-** স্কুটাৰ , বাইক , মটৰ – গাড়ী , বাছ ,বাইচাইকেল , এৰােপ্লেন , অটোভান , ৰিক্সা ইত্যাদি ।

**পাােছাক – পাতি সম্বন্ধীয় :-** ফ্ৰক , ব্লাউজ , চেমিজ , লংপেণ্ট , হাফপেন্ট , ছাৰ্ট , কোট ইত্যাদি ।

**আচ-বাব সম্বন্ধীয় :-** টেবুল , চেয়াৰ , ফেন , টুল , আলমিৰা , ফ্ৰীজ , মিচেফ ইত্যাদি ।

**বাচন – বৰ্তন সম্বন্ধীয় :-** কাপ – প্লেট , ডিছ্ কুকাৰ ইত্যাদি ।

**প্ৰশ্ন ১২। এটা শব্দত প্ৰকাশ কৰা :**

**( ক ) যি আনৰ উন্নতি দেখিব নাােৱাৰে ।**

উত্তৰঃ পৰশ্ৰীকাতৰ ।

**( খ ) একে মাকৰ সন্তান ।**

উত্তৰঃ সহাােদৰ ।

**( গ ) যাৰ ঘৰ – বাৰী-নাই ।**

উত্তৰঃ অঘৰী ।

**( ঘ ) যি ভাল – বেয়া বিচাৰ কৰিব নাােৱাৰে**

উত্তৰঃ অবিবেচক ।

**(ঙ) যি আগেয়ে হোৱা নাই**

উত্তৰঃ অদ্‌ভূতপূৰ্ব ।

**প্ৰশ্ন ১৩ নিয়ৰ কবিতাটিত পাােৱা তৰা , আকাশ , পানী , কথা , হিয়া , সপাােন , চকু আদি শব্দযুক্ত হৈ গঠিত খণ্ড বাক্যবাােৰেৰে বাক্য ৰচনা কৰা ।**

উত্তৰঃ **তৰা-নৰা** – ( বৰকৈ বেগাই ) :- বাঘৰ কথা শুনি সি ভয়তে তৰা-নৰা চিঙি দৌৰি ঘৰলৈ গ'ল ।

**আকাশত চাংপতা** – ( অস্বাভাৱিক কল্পনা , অলীক কল্পনা ) :- যি কাম কৰাটো সম্ভৱ নহয় তাৰ কাৰণে আকাশত চাং পতাৰ প্ৰয়োজন নাই ।

**পানীৰ তলৰ কাঁইট** – ( নেদেখা বিপদ , অজান শত্ৰু ) :- পানীৰ তলৰ কাঁইটৰ দৰে মানুহৰ জীৱনত অনেক নেদেখা বিপদ বা শত্ৰু থাকে ।

**কথা চহকী** – ( বেছিকৈ কথা কোৱা লোক ) :- কথা চহকী মানুহৰ অন্তৰত একো কথা লুকাই নাথাকে ।

**হিয়াৰ আমঠু** – ( অতি মৰমৰ ) :- আইতাকৰ কাৰণে নাতি – নাতিনী হিয়াৰ আমঠু স্বৰূপ ।

**অলীক সপোন** – ( মিছা কল্পনা , অমূলক কল্পনা ) :- অসম্ভৱ বস্তুৰ কাৰণে অলীক কল্পনা কৰি লাভ নাই ।

**চকু চৰহা** – ( আনৰ ভাল দেখিব নোৱাৰা ) :- চকু চৰহা মানুহে আনৰ উন্নতি হোৱা দেখিব নোৱাৰে ।

**প্ৰশ্ন ১৪। তলৰ বাক্যকেইটিৰ খালী ঠাইত অৰ্থৰ লগত সংগতি ৰাখি ভাগি , ভাঙি , ছিগি , ছিঙি বহুৱাই পূৰ কৰা ।**

**( ক ) মেৰামতি নকৰা বাবে জহি -খহি ঘৰটো — গল ।**

উত্তৰঃ মেৰামতি নকৰা বাবে জহি-খহি ঘৰটো ভাগি গ'ল ।

**( খ ) ধুমুহাই ঘৰটো — পেলালে ।**

উত্তৰঃ ধুমুহাই ঘৰটো ভাঙি পেলালে ।

**( গ ) পুৰণি হোৱা বাবে ৰছীডাল — থাকিল ।**

উত্তৰ পুৰণি হোৱা বাবে ৰছীডাল ছিঙি থাকিল ।

**(ঘ) জোৰকৈ টনা-আজোৰা কৰা বাবে ৰছীডাল –গ'ল ।**

উত্তৰঃ জোৰকৈ টনা-আজোৰা কৰা বাবে ৰছীডাল  ছিঙি গ’ল ।

**(ঙ) এবছৰ নৌহওঁতেই মাথাউৰিটো — গ’ল ।**

উত্তৰঃ এবছৰ নৌহওঁতেই মাথাউৰিটো  ভাঙি থাকিল ।

**(চ) বানপানীয়ে মাথাউৰিটো — পেলালে ।**

উত্তৰঃ বানপানীয়ে মাথাউৰিটো  ভাঙি পেলালে ।

**প্ৰশ্ন১৫। দলত বহি নিজৰ নিজৰ অভিজ্ঞতাৰ কথা কোৱা আৰু লগৰীয়াৰ অভিজ্ঞতাৰ কথা শুনা ।**

**(ক) ৰাতিপুৱা খালী ভৰিৰে নিয়ৰসিক্ত দুৱৰি গছকি পোৱা অনুভূতি**

উত্তৰঃ **(নিজৰ অনুভূতি) :-** ভৰিত ঠাণ্ডা পোৱাৰ উপৰি গা-মূৰতো ঠাণ্ডা পোৱা যায় । গোটেই গাটোতে আৰু মনতো এক আমেজভৰা শিহৰণ অনুভৱ কৰা যায় । নিয়ৰ সিক্ত দুৱৰি গছকিলে স্বাস্থ্যৰ কাৰণে ঘাইকৈ চকুৰ কাৰনে ভাল বুলি কোৱা শুনিছোঁ ।

**(খ) পদুম, কচু বা অন্যান্য গছৰ পাতত তিৰবিৰাই থকা নিয়ৰ টোপাল দেখি মনত জাগি উঠা অনুভৱ –**

উত্তৰঃ **(নিজৰ অনুভূতি) :-** ফটিক পানীৰে ধোঁৱা মণি–মুকুতাহে যেন পদুম,কচু বা অন্যান্য গছৰ পাতত ওলমি আছে আৰু পোৱাৰ হেঙুলি পোহৰ পৰি তিৰবিৰাই আছে,এনে অনুভৱ হয় ।

**(গ) গছৰ পাতৰ পৰা টোপালটোপে নিয়ৰ সৰা দেখি কৰা কল্পনাবোৰ—**

উত্তৰঃ **(নিজৰ অনুভূতি ) :-** গছৰ পাতৰ পৰা টোপাটোপে নিয়ৰ সৰা দেখি এনে অনুভৱ হয় যেন কোনোৱা সৰগীয় নাচনীৰ গলৰ মালা ছিগি বহুমুলীয়া মণিহে এটি এটিকৈ পৰি আছে । আনহাতে এনেদৰে কল্পনা কৰা যায় যেন কোনোবা ক্ৰন্দনৰত অপেশ্বৰীৰ চকু পানীহে টোপা টোপে পৰি আছে ।

**প্ৰশ্ন১৬। সাঁথৰ ভঙা :**

**(ক) মৌ মাখি নহয় কিন্তু,কৰে গুণ গুণ, বামুণ নহয় কিন্তু,কান্ধত লগুণ**

উত্তৰঃ যঁতৰ ।

**(খ) ৰজাৰ ঘৰৰ হাতী,ধান খায় পাচি পাচি**

উত্তৰঃ ঢেঁকী ।

**(গ) ৰজাৰ কাপোৰ তিয়াব পাৰি,শুকুৱাব নোৱাৰি ।**

উত্তৰঃ জিভা ।

**প্ৰশ্ন১৭। অসমীয়া ভাষাত থকা তৎসম আৰু অৰ্ধতৎসম শব্দৰ এখন তালিকা কৰি শ্ৰেণীকোঠাত ওলোমাই থোৱা ।**

উত্তৰঃ শ্ৰেণীকোঠাত ওলোমাই থ'বলগীয়া তালিকাখন হ'ল—

**তৎসম শব্দ:-** আকাশ,অশ্ব,বংশ,বৰ্ণ,হ্ৰস্ব, দীৰ্ঘ,জীৱন,চন্দ্ৰ, সূৰ্য,নদী, কৃষ্টি,লতা,ধন, ফল ইত্যাদি ।

**অৰ্ধতৎসম শব্দ :-** ভকতি , মুকুতা , শকতি , চেনেহ , ধৰম , পীৰিতি , শৰদ , শইচ , দৰ্শন কৰম , চিৰি , উছৱ , সােৱাদ , মিতিৰ , মিছা , সঁচা , থিৰ ইত্যাদি ।